# 2019

## ASSAMESE

( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) 'জাতিৰামৰ জাত' নামৰ ব্যঙ্গ গল্পটোৰ গল্পকাৰ কোন?

(খ) 'বাঘেটাপুৰ ৰাতি' গল্পপুথিখনৰ লিখক কোন?

(গ) সৌৰভ কুমাৰ চলিহাৰ গল্পপুথি এখনৰ নাম লিখা।

(ঘ) কোনখন গল্পপুথিৰ বাবে ভবেন্দ্ৰনাথ শইকীয়াই সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(ঙ) 'ৰাজপথে ৰিঙিয়ায়' উপন্যাসখন কাৰ ৰচনা?

(চ) 'শৰ কটা মানুহ' উপন্যাসখনৰ ঔপন্যাসিকজনৰ নাম কি?

(ছ) 'পাতাল ভৈৰৱী' উপন্যাসখনৰ ঔপন্যাসিক কোন?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) লক্ষ্মীনাথ ফুকনৰ দুখন গল্পপুথিৰ নাম লিখা।

(খ) চৈয়দ আব্দুল মালিকৰ দুখন গল্পপুথিৰ নাম লিখা।

(গ) 'তোৰে মোৰে আলোকৰে যাত্ৰা' উপন্যাসখন কোনগৰাকী ব্যক্তিৰ জীৱন আধাৰিত? ঔপন্যাসিক-গৰাকীৰ নাম লিখা।

(ঘ) প্ৰবীণা শইকীয়াৰ দুখন উপন্যাসৰ নাম লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) "তুমি নিজক ইমানেই ভালপোৱা যে তোমাৰ ভৰিৰ গচকত কাৰ হিয়া ভাগি তোমাৰ ভৰি তেজেৰে ৰাঙলী হৈছে তালৈ চকু দিবৰ তোমাৰ অৱসৰ নাই।" কথাষাৰ কোনে, কাক উদ্দেশি কৈছে? বক্তাই কি প্ৰসঙ্গত কথাষাৰ কৈছে, ব্যাখ্যা কৰা।

(খ) বিহু-সম্পৰ্কীয় লোককৃষ্টি 'সখা-দামোদৰ' গল্পটোত কিদৰে ফুটি উঠিছে, আলোচনা কৰা।

(গ) "দিবাকৰৰ ভাৱ হ'ল, সমগ্ৰ গাঁওখনেই প্ৰেমৰ এক সূৰ্যৰ পোহৰত উজলি উঠা এটা অখণ্ড ভাস্বৰ সপোন। সেই সূৰ্য আছিল মালতী।" মালতীক দিবাকৰে সূৰ্যৰ লগত কিয় তুলনা কৰিছে, আলোচনা কৰা।

(ঘ) শম্ভু পাছোৱান কোন? শ্ৰমিকসকলৰ প্ৰতি তেওঁৰ মনোভাৱ কেনেকুৱা আছিল, আলোচনা কৰা।

(ঙ) অসমীয়া সাহিত্যৰ নদীকেন্দ্রিক উপন্যাসৰ বিষয়ে এটি চমু আলোচনা কৰা।

৪। ৰামধেনু যুগৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহ উদাহৰণৰ সৈতে আলোচনা কৰা। ১০

*অথবা*

ঐতিহাসিক অসমীয়া উপন্যাস সম্পর্কে এটি আলোচনা আগবঢ়োৱা।

৫। "লক্ষ্মীধৰ শর্মাৰ গল্পত নাৰী চৰিত্রই পৰম্পৰাগত সামাজিক বৃত্তৰ পৰিধি ভাঙি নতুন যুগৰ মাজলৈ ওলাই আহিব পাৰিছে।" 'ব্যর্থতাৰ দান' গল্পৰ আলমত কথাষাৰ বিশ্লেষণ কৰা। ১০

*অথবা*

'নোমাল হাত'ৰ প্রসঙ্গই 'অবিনাশী স্বপ্ন' গল্পটোত কিদৰে এটা প্রতীকৰ ৰূপ লৈছে, গল্পটোৰ কাহিনীৰ আলমত বিচাৰ কৰা।

৬। 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত দাৰিদ্র্য আৰু যন্ত্রণাৰ ছবি কিদৰে প্রকাশিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

মামণি ৰয়চম গোস্বামীৰ উপন্যাসসমূহৰ এটি চমু পৰিচয় দি তেওঁৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

★★★